শ্ৰীসোণোৱালে এই জাহাজখনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বৰ উজ্বল নিদৰ্শন বুলি অভিহিত কৰে।

০০০০০০০

অসম আৰু অৰুণাচল সীমান্তৰ অতিকে ভিতৰুৱা নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত নামচাঙ চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ তথা ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটাৰে সন্মানিত দেৱজিত ঘোষে কালি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছুৱেটাৰ বিতৰণ কৰে। উল্লেখযোগ্য যে যোৱা বছৰ ৰাজ্যখনৰ পৰা একমাত্ৰ ৰাষ্ট্ৰীয় কৃতি শিক্ষকৰ বঁটা লাভ কৰা শ্ৰীঘোষে বঁটা হিচাপে লাভ কৰা ধনৰাশিৰ পৰা ৫০ হাজাৰ টকাৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক এই গৰম কাপোৰ প্ৰদান কৰা কাৰ্য্যই সচেতন ৰাইজৰ মাজত বিশেষ সমাদৰ লাভ কৰিছে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কামৰূপ জিলাৰ কৃষি আৰু কৃষকৰ উন্নয়ন সন্দৰ্ভত জিলা কৃষি বিষয়া মানৱ জ্যোতি দাসৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাসে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি ইউ পি ৱাৰিয়াৰ্জ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা  নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছে ইউ পি ৱাৰিয়াৰ্জক ৭ উইকেটত পৰাজিত কৰে।  খেলখনত প্ৰথমে বেটিং কৰিবলৈ নামি ৱাৰিয়াৰ্জে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই ১৫৪ ৰান সংগ্ৰহ কৰে। অধিনায়ক মেগ লেনিঙে সৰ্বাধিক ৫৪ আৰু হাৰলিন দেউলে ৪৭ ৰান কৰে।

প্ৰত্যুত্তৰত দেলহীয়ে মাত্ৰ ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। লিজেল লীয়ে সৰ্বাধিক ৬৭ ৰান কৰে। ৩৬ ৰান কৰাৰ লগতে ৪ অভাৰত মাত্ৰ ১৬ ৰানৰ বিনিময়ত দুটা উইকেট দখল কৰা শেফালী বাৰ্মাক শ্ৰেষ্ঠ খেলুৱৈ ৰূপে নিৰ্বাচিত কৰা হয়।

০০০০০০

**সমাপ্ত**